# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

১। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ মৰগীয়া বানচ দুই শতাংশ বৃদ্ধি।
২। অসমৰ কেইবাগৰাকীও বিজ্ঞানীৰ বিশ্বৰ পাঁচ শতাংশ শ্ৰেষ্ঠ বিজ্ঞানীৰ তালিকাত স্থান লাভ।
৩। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আজি ১২৪ সংখ্যক ওপজা দিন। **আৰু**
৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত জৰ্ডানৰ বিৰুদ্ধে অষ্ট্ৰিয়াৰ ৩-১ গ'লত জয়লাভ।

০০০০০০

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলে দুই শতাংশ বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব। এই মৰগীয়া বানচ পূৰ্বৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। জুলাই মাহৰ দৰমহাৰ সৈতে কৰ্মচাৰীসকলে এই বানচ লাভ কৰিব। ৰাজ্যৰ বিত্ত বিভাগে কালি মৰগীয়া বানচ বৃদ্ধি কৰা সন্দৰ্ভত প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰে।

০০০০০০

অসমৰ কেইবাগৰাকীও বিজ্ঞানীয়ে বিশ্বৰ পাঁচ শতাংশ শ্ৰেষ্ঠ বিজ্ঞানীৰ তালিকাত স্থান লাভ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ চাৰিগৰাকী গৱেষক অধ্যাপক প্ৰদীপ ফুকন, ড° ৰঞ্জিত ঠাকুৰীয়া, ড° ত্ৰিদীপ কুমাৰ গোস্বামী আৰু ড° অৰবিন্দ বৰুৱাই এই তালিকাত স্থান লাভ কৰিছে। শেহতীয়াকৈ প্ৰকাশিত বিশ্বৰ শীৰ্ষ পাঁচ শতাংশ বিজ্ঞানী সম্পৰ্কীয় এটা গোলকীয় প'ৰ্টেলত এই বিজ্ঞানীসকলৰ লগতে ৰাজ্যখনৰ বিশিষ্ট উদ্ভিদ বিজ্ঞানী, তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰববী অধ্যাপক ড° প্ৰণৱানন্দ ভট্টাচাৰ্যইও স্থান লাভ কৰিছে। নলবাৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী-অধ্যাপক ড° ৰূপক কুমাৰ শৰ্মাইও এই তালিকাত স্থান লাভ কৰিছে। এই সন্দৰ্ভত শৰ্মাই আমাৰ নলবাৰীৰ সংবাদদাতা ৰমেন কলিতাৰ আগত এইদৰে কয় –

**বাইট**

০০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আজি ১২৪ সংখ্যক ওপজা দিন। ৰূপান্তৰেহে জগত ধুনীয়া কৰে বুলি ভৱিষ্যমুখী সমাজ নিৰ্মাণৰ পণ লোৱা সুন্দৰৰ পূজাৰীগৰাকী প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নিৰ্মাতা, গীত-নাট-কবিতাকে ধৰি সাহিত্যৰ মেটমৰা সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা সব্যসাচী শিল্পী আছিল। ১৯০৩ চনৰ এই দিনটোতে ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত শিল্পীগৰাকীৰ জন্ম হৈছিল। গীত-মাত, সাহিত্য সাধনাৰ লগতে দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা লোৱা শিল্পীগৰাকীৰ সৃষ্টিসমূহে সমাজৰ সকলো স্তৰৰ লোকক আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সুন্দৰৰ সাধক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক ওপজা দিনত শ্ৰদ্ধাৰে স্মৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসমৰ কলা-সংস্কৃতি, সাহিত্য-সংগীত আৰু চলচ্চিত্ৰ ক্ষেত্ৰলৈ শিল্পীগৰাকীয়ে আগবঢ়াই যোৱা অনন্য বৰঙণিয়ে অসমীয়া জাতিৰ আত্মপৰিচয়ক

অধিক শক্তিশালী কৰাৰ লগতে সমাজত ঐক্য, সম্প্ৰীতি আৰু মানৱতাৰ মহান বাৰ্তাক প্ৰসাৰিত কৰিছে বুলি মন্তব্য কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি নেতৃত্বাধীন চৰকাৰে ১২ বছৰ সফলতাৰে কাৰ্যনিৰ্বাহ কৰা উপলক্ষে বিশ্বনাথ জিলা বিজেপিৰ উদ্যোগত কালি এখন প্ৰবুদ্ধ নাগৰিক সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত বিধায়ক পল্লৱলোচন দাস, পৌৰপতি অমৰজ্যোতি বৰঠাকুৰকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত বিধায়ক শ্ৰী দাসে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন অভিলাসী আঁচনিৰ বিষয়ে উল্লেখ কৰি চৰকাৰ ৰাইজৰ কল্যাণৰ প্ৰতি দায়বদ্ধ বুলি মন্তব্য কৰে –

**বাইট**

০০০০০০

আৰক্ষীয়ে কাৰ্বি আংলং জিলাত মাদক দ্ৰব্য বিৰোধী অভিযান চলাই ড্ৰাগ সৰবৰাহৰ প্ৰচেষ্টা ব্যৰ্থ কৰিছে। আৰক্ষীয়ে এই অভিযানত তিনি কিলোগ্ৰাম ৪৯ গ্ৰাম ভাং জব্দ কৰে। জব্দ কৰা ভাংখিনিৰ মূল্য প্ৰায় ৩ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। অভিযানত আৰক্ষীয়ে এজন সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰে।

০০০০০০

কামৰূপ জিলাৰ বকোৰ শান্তিপুৰত আজি পুৱতিনিশা দুটা হাতী দাঁতসহ দুজন লোকক আটক কৰা হয়। বনাঞ্চল অপৰাধ নিয়ন্ত্ৰণ সংস্থা আৰু বামুণীগাঁও বন বিভাগে গোপন সূত্ৰৰ পম খেদি অভিযান চলাই লোক দুজনক আটক কৰে। লোক দুজন হ'পব্ৰিং চাংমা আৰু লেচন মাৰাক বুলি চিনাক্ত কৰা হৈছে। উদ্ধাৰ কৰা হাতী দাঁত দুটাৰ ওজন প্ৰায় ৩ কিলোগ্ৰাম বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি সাক্ষ্য প্ৰদানৰ বাবে আদালতে ৪ গৰাকী এজাহাৰ দাখিলকাৰী বিপুল ফুকন, জিতু ফুকন, বিকাশ শইকীয়া আৰু যাদৱ শইকীয়ালৈ চমন জাৰি কৰা হৈছে। আদালতত কালি ৩ গৰাকী সাক্ষী মৌচম বৰা, গৌৰাংগ দত্ত আৰু দিগন্ত দাসে সাক্ষ্য প্ৰদান কৰে। অভিযুক্ত পক্ষৰ অধিবক্তাসকলে তিনিওগৰাকী সাক্ষীকে প্ৰশ্ন কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছত এই ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এজাহাৰ দাখিল হৈছিল। এজাহাৰ দাখিল কৰা লোকসকলৰ যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ কৰি আছে। অহা ২০ জুন পৰ্যন্ত এই লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰা হব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ কঠোৰ পদক্ষেপৰ ফলত ৰাজ্যত গঁড় চিকাৰৰ ঘটনা ক্ৰমাৎ শূন্যলৈ হ্ৰাস পাইছে। বন বিভাগৰ তথ্য অনুসৰি ২০২১ চনৰ পৰা ২০২৬ চনলৈকে চোৰাং চিকাৰীৰ হাতত মাত্ৰ ৭ টা গঁড়ে প্ৰাণ হেৰুৱাইছে। ইয়াৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০২১ ত দুটা, ২০২৩ ত এটা আৰু ২০২৪ চনত দুটা গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰাৰ বিপৰীতে ২০২৩ চনত মানস আৰু ওৰাঙত এটাকৈ গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰে।

ইপিনে, বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত মানস ৰাষ্ট্ৰীয় উদ্যানে নতুন নিদৰ্শন দাঙি ধৰিছে। বিগত ৩টা বছৰত উদ্যানখনত গঁড় আৰু বাঘ চিকাৰৰ এটাও ঘটনা সংঘটিত হোৱা নাই বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বহু বছৰ ধৰি অসমৰ বনাঞ্চলত চোৰাং চিকাৰে ভাবুকিৰ সৃষ্টি কৰি আহিছিল যদিও বন বিভাগৰ বিষয়া-কৰ্মীৰ অক্লান্ত নিষ্ঠা, সাহস আৰু নিৰৱচ্ছিন্ন সুৰক্ষা ব্যৱস্থাৰ ফলস্বৰূপে মানসত সম্প্ৰতি চোৰাং চিকাৰ প্ৰতিৰোধত অভূতপূৰ্ব সফলতা লাভ কৰিব পৰা গৈছে।

তেওঁ কয়, যে বৰ্তমানে মানস ৰাষ্ট্ৰীয় উদ্যানত প্ৰতিমাহে প্ৰায় ৩৮ হাজাৰ কিলোমিটাৰ এলেকাত নিয়মীয়াকৈ তহল দিয়া হয়। কঠোৰ প্ৰচেষ্টা, আধুনিক পহৰাদাৰী ব্যৱস্থা আৰু সজাগ জনসাধাৰণৰ সহযোগিতাই মানসক বন্যপ্ৰাণী সংৰক্ষণৰ অনন্য সফলতাৰ কাহিনীত পৰিণত কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই সমাগত নীট পৰীক্ষাৰ পূৰ্বে অভিভাৱক আৰু পৰীক্ষাৰ্থীসকলক অনলাইন মঞ্চত বিয়পা জালিয়াতিসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত সংস্থাটোৱে কয়, যে টেলিগ্ৰামৰ জৰিয়তে বহু দুষ্ট চক্ৰই পুনৰবাৰ হ'বলগীয়া নীট পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত যোগান ধৰাৰ বাবে পৰীক্ষাৰ্থীসকলৰ পৰা ১৪ হাজাৰৰ পৰা ২৫ হাজাৰ টকা পৰ্যন্ত দাবী কৰিছে। পৰীক্ষাৰ বাবে এইধৰণৰ কোনোধৰণৰ প্ৰশ্নকাকত ফাদিল হোৱা নাই বুলি সংস্থাটোৱে স্পষ্ট কৰি দিছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সংস্থাৰ সঞ্চালক প্ৰধান অভিষেক সিঙে কয়, যে এইবেলি প্ৰতিখন প্ৰশ্নকাকত সম্পূৰ্ণ সাৱধানতা অৱলম্বন কৰি যুগুতাই উলিওৱা হৈছে আৰু কোনো ধৰণৰ বেমেজালিৰ সৃষ্টি নোহোৱাকৈ পৰীক্ষা পৰিচালনা কৰাৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা প্ৰতিশ্ৰুতিবদ্ধ। প্ৰশ্নকাকত প্ৰস্তুত কৰাৰে পৰা সেইসমূহৰ অনুবাদ, ছপা, এঠাইৰ পৰা আন ঠাইলৈ নি সংৰক্ষণ কৰা আদি সকলো দিশতে সংস্থাই বিভিন্ন সুৰক্ষা পদ্ধতি অৱলম্বন কৰিছে বুলি শ্ৰীসিঙে প্ৰকাশ কৰে।

অসমতো স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নীট পৰীক্ষা পৰিচালনা কৰিবলৈ ৰাজ্য চৰকাৰে মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সভাপতিত্বত কালি এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত  কৰে। বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এৰ দ্বাৰা বিশেষভাৱে অনুমোদিত বিষয়াসকলৰ বাহিৰে পৰীক্ষাৰ্থী, নিৰীক্ষক, বিষয়া-কৰ্মচাৰীকে ধৰি সকলোৰে বাবে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত ম'বাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক ষ্ট্ৰং ৰূম আৰু পৰীক্ষাকেন্দ্ৰসমূহ ব্যক্তিগতভাৱে পৰিদৰ্শন কৰাৰ লগতে উত্তৰবহীসমূহ নিৰাপদে প্ৰেৰণ নকৰালৈকে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা নিউ জাৰ্ছি ষ্টেডিয়ামত অনুষ্ঠিত আই গ্ৰুপৰ এখন খেলত ফ্ৰান্সে ছেনেগালক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত ফ্ৰান্সৰ এমবাপ্পেই দ্বিতীয়টো গ'ল দিয়াৰ লগে লগে খেলুৱৈগৰাকী দেশখনৰ হৈ আন্তঃৰাষ্ট্ৰীয় খেলত সৰ্বাধিক গ'ল দিয়া খেলুৱৈৰূপে পৰিগণিত হয়। খেলুৱৈগৰাকীয়ে এইপৰ্যন্ত আন্তঃৰাষ্ট্ৰীয় খেলত ফ্ৰান্সৰ হৈ ৫৮টা গ'ল দিছে। এই কৃতিত্ব অৰ্জনৰ বাটিত তেওঁ বিশ্বকাপত সৰ্বাধিক গ'ল দিয়া খেলুৱৈৰ তালিকাত আৰ্জেণ্টিনাৰ লিঅ'নেল মেছিক অতিক্ৰম কৰে।

আনহাতে, এই গ্ৰুপৰে যোৱানিশা অনুষ্ঠিত আন এখন খেলত ন'ৰৱেই ইৰাকৰ বিৰুদ্ধে ৪-১ গ'লৰ ব্যৱধানত বিজয় অৰ্জন কৰে।

ইফালে, প্ৰতিযোগিতাত আজি বিগত বৰ্ষৰ চেম্পিয়ন আৰ্জেণ্টিনাই জয়েৰে অভিযান আৰম্ভ কৰিছে। পুৱা অনুষ্ঠিত গ্ৰুপ-জেৰ খেলখনত তিনিবাৰকৈ বিশ্বকাপ দখল কৰা দলটোৱে অধিনায়ক লিঅ'নেল মেচিৰ হেট্ৰিকেৰে আলজেৰিয়াক ৩-০ গ'লত পৰাস্ত কৰিছে।

বিশ্বকাপৰ আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত অষ্ট্ৰিয়াই জৰ্ডানৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে নিশা চাৰে ১০ বজাত পৰ্টুগলে ডি আৰ কংগোৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব। আনহাতে, নিশা ডেৰ বজাত ইংলেণ্ড আৰু ক্ৰেৱেছিয়াই নিজৰ প্ৰথম খেলত অংশ ল'ব।

০০০০০০

**সমাপ্ত**